**Series : X4YZW**

**SET ~ 4**

Roll No.

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| | | | | | | | |

**Q.P. Code 14**

Candidates must write the Q.P. Code on the title page of the answer-book.

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘণ্টা* | *সৰ্বমুঠ নম্বৰ : 80*

*Time allowed : **3** hours* | *Maximum Marks : **80***

| **NOTE** | # |
|---|---|
| (I) | Please check that this question paper contains **11** printed pages. |
| (II) | Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate. |
| (III) | Please check that this question paper contains **17** questions. |
| (IV) | **Please write down the Serial Number of the question in the answer-book at the given place before attempting it.** |
| (V) | 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the candidates will read the question paper only and will not write any answer on the answer-book during this period. |

***General Instructions :***

*Question paper is divided into **4** sections.*

*It has total **17** questions.*

***Section A** : 1 Question no. 1 to 1*

***Section B** : 5 Questions no. 2 to 6*

***Section C** : 5 Questions no. 7 to 11*

***Section D** : 6 Questions no. 12 to 17*

*Attempt questions as per specific instructions.*

*Write question no. in answer book before attempting it.*

***সাধাৰণ নিৰ্দেশনা :***

*প্ৰশ্নকাকতৰ প্ৰশ্নসমূহ চাৰি **(৪)** ভাগত বিভক্ত।*

*সৰ্বমুঠ প্ৰশ্নৰ সংখ্যা : **১৭***

***শাখা 'ক'** : প্ৰশ্নৰ সংখ্যা ১, প্ৰশ্ন নং ১-১*

***শাখা 'খ'** : প্ৰশ্নৰ সংখ্যা ৫, প্ৰশ্ন নং ২-৬*

***শাখা 'গ'** : প্ৰশ্নৰ সংখ্যা ৫, প্ৰশ্ন নং ৭-১১*

***শাখা 'ঘ'** : প্ৰশ্নৰ সংখ্যা ৬, প্ৰশ্ন নং ১২-১৭*

*পৰীক্ষাৰ্থীসকলে নিৰ্দ্ধাৰিত নিৰ্দেশ অনুসৰি প্ৰশ্নসমূহৰ উত্তৰ কৰিব।*

*উত্তৰ বহীত প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ পূৰ্বে প্ৰশ্ন নং লিখাটো বাঞ্চনীয়।*

## SECTION A

**(বোধ পৰীক্ষণ)** **(15 Marks)**

**1.** তলৰ অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ লিখাঁ।

অসমীয়া সংস্কৃতিৰ অন্যতম বৰেণ্য ব্যক্তি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই তাহানি কালতেই সংস্কৃতিৰ ৰূপৰেখা প্ৰসংগত কৈছিল — "যি কথা, যি কাম বা চিন্তাই মানুহক বৰ্বৰ প্ৰকৃতিৰ পৰা তুলি নি দিব্য প্ৰকৃতি দিয়ে, এই পৃথিৱীখন ধুনীয়া কৰি মানুহক মানুহৰ জীৱনৰ সম্পূৰ্ণ আনন্দ পাবলৈ বাট দেখুৱায় — মানুহৰ সেই কথা, সেই চিন্তা বা সেই কামেই হৈছে সংস্কৃতি।" এই উক্তিৰ আধাৰত ক'ব পাৰি যে আমাৰ মানৱ জীৱনক সুন্দৰ আৰু শক্তিমান কৰি তোলা সকলো সুকুমাৰ কলা, কাম আৰু গুণৰাশিয়েই হ'ল সংস্কৃতিৰ সোপান। সংস্কৃতি গঢ়ি উঠিবলৈ প্ৰয়োজন হয় এখন সমাজৰ। এই সমাজ মানুহৰ দ্বাৰাই গঠিত হয়। একোখন সমাজত বসবাস কৰা মানুহে কৰা আচৰণেই সেইখন সমাজৰ সংস্কৃতি। সংস্কৃতি মানৱ আচৰণৰ বহিঃপ্ৰকাশ। এই পৃথিৱীত জন্ম আৰু মৃত্যুৰ দ্বাৰা অনুশাসিত হৈ যগে যগে মানুহ চলি আহিছে। এইদৰে সংস্কৃতিও গতিশীল। সংস্কৃতিৰ অন্যতম উপাদান হ'ল আচাৰ-আচৰণ। ক'বলৈ

গ'লে আচাৰ-আচৰণৰ মাজত ব্যক্তিগত চিন্তা-ভাৱনা উন্মেষিত হোৱাৰ লগতে সামাজিক মানো প্রতিফলিত হয় । ভিন্ন সামাজিক পৰিবেশৰ আচাৰ — আচৰণো বিভিন্ন । মানুহে জীৱনৰ প্রথম প্রভাতৰে পৰা বিভিন্ন কার্যৰ লগত জড়িত হৈ পৰে আৰু এই কার্য সম্পাদন কৰিবলৈ যাওঁতে নিজৰ ৰুচি, আচৰণ আদি প্রকাশ কৰে । লাহে লাহে সামাজিক পৰম্পৰাৰ লগত মানুহৰ জীৱন বান্ধ খাই পৰে । সাধাৰণতে পৰম্পৰাই অর্থনৈতিক, সামাজিক, ধর্মীয়, নান্দনিক, ভাষা সম্পর্কীয় দিশবোৰ সাঙুৰি লয় । পৰম্পৰাগত ভাৱে ব্যক্তিয়ে সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ অভ্যাস কৰে । এনে অভ্যাসে তেওঁক সমাজৰ কল্যাণকৰ দিশত অগ্রসৰ হোৱাত সহায় কৰে । মানুহে সৰুৰে পৰা নিজৰ পৰিবেশত থাকি যিবোৰ কাম কৰাৰ অভ্যাস গঠন কৰে, সেই কামবোৰ ভালো হ'ব পাৰে আৰু বেয়াও হ'ব পাৰে । ভাল কাম আৰু সুচিন্তাৰ কর্ষণ কৰিব পাৰিলে মানুহজন সৎ প্রবৃত্তিৰ হ'ব; কিন্তু বেয়া কাম আৰু কুচিন্তাই মানুহজনক অসৎ প্রবৃত্তিৰ পিনে ধাবিত কৰায় । ভাল কাম আৰু আচৰণে কোনো সমাজৰ কৃষ্টি-সংস্কৃতি উন্নীতকৰণৰ লগতে মানুহক সাংস্কৃতিক মনৰো অধিকাৰী কৰিব পাৰে । সাংস্কৃতিক মনৰ ব্যক্তি বুলিলে কাকনো বুজিম তাক এটা উদাহৰণ সহকাৰে বর্ণাব পাৰি । ধৰা হওক'গছৰ ঠেঙুলিত এবাহ চৰাইৰ পোৱালি আছে । তাকে দেখি দুজন লোকৰ দৃষ্টিভংগী দুই ধৰণৰ হ'ব পাৰে । এজনে হয়তোবা ক'ব — 'আহ, কি সুন্দৰ ।' আনজনে আকৌ বাহটোৰ পৰা পোৱালীকেইটা ধৰি নি উদৰ পূৰ কৰাৰ কথা পাঙিব । ইয়াতে চৰাইৰ পোৱালী দেখি আনন্দত আত্মহাৰা হোৱা প্রথম গৰাকী সাংস্কৃতিক মনৰ সংবেদনশীল ব্যক্তি । আনগৰাকী আকৌ সৃষ্টিৰ প্রতি উদাসীন, পেট পূজাহে তেওঁৰ বাবে আগকথা । সংস্কৃতিৰ দুটা ৰূপ — এটা বাহ্যিক আৰু আনটো আভ্যন্তৰীণ । নৃত্য এটি পৰিবেশন কৰোঁতে যি কলা-কৌশল তাৰ লগত যুক্ত, সেইবোৰ বাহ্যিক ৰূপৰ ভিতৰুৱা; কিন্তু সেই নৃত্যৰ ৰসাস্বাদন কৰি লভা বিমল আনন্দই হ'ল আভ্যন্তৰীণ সংস্কৃতিৰ অংগ । ধুনীয়াকৈ সাজ-পাৰ পিন্ধা কার্য বাহ্যিক সংস্কৃতিৰ পৰিচায়ক; কিন্তু আনৰ প্রতি দেখুওৱা আন্তৰিক আচৰণ আভ্যন্তৰীণ সংস্কৃতিৰ উৎস । সেইবাবে ক'ব পৰা যায় যে আভ্যন্তৰীণ সংস্কৃতিৰ সৈতে আমাৰ দৃষ্টিভংগী আৰু মূল্যবোধ সমূহ যথা উচিত-অনুচিত, ন্যায়-অন্যায়, কৰণীয়-অকৰণীয় আদি সংযুক্ত হৈ থাকে ।

বাহ্যিকভাৱে চিকুণটি হৈ থকা ব্যক্তিগৰাকী যদি পেট-কপটীয়া হয়, তেন্তে তেওঁক সংস্কৃতিবান বুলি অভিহিত কৰা উচিত নহ'ব । মানুহৰ আবেগ-অনুভূতিৰ মূল উৎস হ'ল চৌপাশৰ বিনন্দীয়া প্ৰকৃতি । প্ৰকৃতিৰ পৰা আমি কল্পনাৰ ৰহণ আৰু সৃষ্টিৰ খোৰাক আহৰণ কৰো । হৰিণ এটা ছন্দায়িত খোজেৰে যেতিয়া জঁপিয়াই আতঁৰি যায় তাৰ মাজতেই শিল্পী-সাহিত্যিকে অনুপম সৃষ্টিৰ প্ৰেৰণা লভে, উদ্বেলিত হৈ উঠে শিল্পী সত্তাৰ কল্পনা । আমাৰ ব্ৰহ্মপুত্ৰ আৰু বৰাককে ধৰি বিভিন্ন নদী, ইয়াৰ উপত্যকাক ঘেৰি ৰখা সেউজী পাহাৰ, গছ্-লতা, পশু-পক্ষী আৰু বসবাস কৰা ভিন্ন জনগোষ্ঠীৰ বিচিত্ৰ জীৱন শৈলীয়েই হ'ল সকলো সৃজনী শক্তিৰ আধাৰস্বৰূপ ।

আমাৰ সমাজ-জীৱনৰ অপৰিহাৰ্য অংগস্বৰূপ গীত-মাত, নৃত্য, চিত্ৰকলা, স্থাপত্য-ভাস্কৰ্য আৰু উৎসৱ-পাৰ্বণ আদিৰ মাধ্যমত সামগ্ৰিক ৰুচিবোধ, কল্পনাশক্তি আৰু জীৱনশৈলীৰ মহত্ব প্ৰতিফলিত হয় । সুকুমাৰ কলাকে ধৰি সামাজিক ধ্যান-ধাৰণা, আচাৰ-অনুষ্ঠান, শিষ্টাচাৰ আৰু নীতি-নিৰ্দেশনা সকলো কৃষ্টিভিত্তিক, সেইবোৰ আমাৰ গৌৰৱময় সংস্কৃতিৰ উপাদান । শেষত আমি ক'ব পাৰো যে অন্তৰৰ সুকোমল অনুভূতিৰ প্ৰকাশক তথা কল্পনাৰ হেঙুলীয়া বৰণে সৃষ্টি কৰা সকলো সম্পদেই হ'ল সংস্কৃতিৰ উপাদান, যি আমাৰ জীৱনক গৰিমাময় কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে । সেয়ে সংস্কৃতি হ'ল আমাৰ জীৱন-যাত্ৰাৰ ঐশ্বৰ্যময় সংগী, সমাজৰ দীপ্তিময় ভৱিষ্যত ।

**প্ৰশ্ন :**

(i) সংস্কৃতিৰ ৰূপৰেখা প্ৰসংগত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কি মন্তব্য আগবঢ়াইছিল ? *2*

(ii) আচাৰ-আচৰণক কিয় সংস্কৃতিৰ অন্যতম উপাদান বুলি কৈছে ? *2*

(iii) সাংস্কৃতিক মনৰ ব্যক্তি বুলিলে কাক বুজাই উদাহৰণ সহকাৰে বৰ্ণনা কৰাঁ । *2*

(iv) সংস্কৃতিৰ বাহ্যিক আৰু আভ্যন্তৰীণ ৰূপ বুলিলে কি বুজা ? *2*

(v) মানুহৰ আবেগ অনুভূতিৰ মূল উৎস চৌপাশৰ বিনন্দীয়া প্ৰকৃতি বুলি কিয় কৈছে ? *2*

(vi) গীত-মাত, চিত্ৰকলা আদিৰ মাজেৰে কি প্ৰতিফলিত হয় ? *2*

(vii) সন্ধি ভাঙা — সংস্কৃতি *1*

(A) সং+কৃতি (B) সম+কৃতি

(C) সম্+কৃতি (D) সং+স্কৃতি

(viii) প্ৰত্যয় বাছি উলিয়াই লিখা — কপটীয়া *1*

(A) -আ (B) -ঈয়া

(C) -ইয়া (D) -টীয়া

(ix) বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা — সৃষ্টি *1*

(A) বন্ধ (B) বিষাদ

(C) স্থিৰ (D) প্ৰলয়

## SECTION B

**(লিখন কলা)** **(25 Marks)**

**2.** (i) তলত দিয়া সংকেত বাক্যকেইটাৰ সহায়ত গল্পটো সম্পূৰ্ণকৈ লিখাঁ । (গল্পটোৰ এটা শিৰোনাম আৰু নীতি শিক্ষা লিখিব লাগিব ।) *5*

এখন হাবিৰ এডাল বট গছত কেবাটাও পাৰ চৰায়ে বাস কৰিছিল ________ এদিন ৰাতিপুৱা চৰাই কেইটাই গছৰ তলত বহুত খাদ্য পৰি থকা দেখিলে ________ বুঢ়া চৰাইটোৱে খাবলৈ মানা কৰিলে ________ কথা নুশুনি চৰাইকেইটাই খাদ্য খাবলৈ নামিল ________ চিকাৰীৰ জালত বন্দী হ'ল ________ বুঢ়া পাৰটোৱে সাহস দিলে ________ গোটেই কেইটাই জালখনৰ সৈতে উৰা মাৰিলে ________ ।

**নাইবা (OR)**

(ii) যিকোনো এখন ৰচনা লিখাঁ —

(a) পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ

(b) অসমৰ কুটীৰ শিল্প

3. 'আদৰ্শ বিদ্যালয়ত' 'স্বাধীনতা দিৱস' উদ্‌যাপনৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা। *5*

4. তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখাঁ — *5*

(i) ফটা কঁথা তিতে মানে গালৈহে গধুৰ

(ii) হৰিণাৰ মাংসই বৈৰী

5. ভাৱ সম্প্ৰসাৰণ কৰাঁ — (যিকোনো এটা) *5*

(i) প্ৰণালীবদ্ধ শ্ৰমৰ আগত কোনো কামেই অসাধ্য নহয়।

(ii) স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মঙ্গল-মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।

6. তলত দিয়া খণ্ডবাক্যকেইটাৰে বাক্য ৰচনা কৰাঁ — (যিকোনো পাঁচটা) *5×1=5*

মাত লগা, বাট মাৰ, ভাত মোকলা, মাত দে, হাড়ে-ছালে লগা, মাটিৰ মানুহ

## SECTION C

**(ব্যাকৰণ)** **(20 Marks)**

7. তলত দিয়া সমোচ্চাৰিত শব্দকেইটাৰ অৰ্থ বাছি উলিয়াই লিখাঁ — *4×1=4*

(i) কানি =

(A) কলা (B) ফটা কাপোৰ

(C) কণা (D) শূন্য

(ii) কাণী =

(A) ক'লা তিৰোতা (B) এবিধ জন্তু

(C) কেৰাহি (D) কণা তিৰোতা

(iii) গঁড় =

(A) এবিধ জন্তু (B) গৰাকী

(C) কোঁঠ (D) বাহন

(iv) গড় =

(A) প্ৰকৃত (B) জন্তু

(C) কোঁঠ (D) পৰ্বত

**8.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখাঁ — *4×1=4*

(i) অনুৰূপ শব্দ __________ প্ৰকাৰৰ ।

(A) এক (B) দুই

(C) তিনি (D) চাৰি

(ii) কেতিয়াবা মূল শব্দৰ আদি ধ্বনিত জোৰ দি ধ্বনিটো দ্বিৰুক্ত কৰা হয়; এনে অনুৰূপ শব্দক __________ বোলে ।

(A) দ্বিৰুক্ত অনুৰূপ (B) যুৰীয়া অনুৰূপ

(C) ধ্বন্যাত্মক শব্দ (D) অনুকাৰ অনুৰূপ

(iii) মন্দিৰৰ ঘণ্টাটো ____________ কৈ বজাইছে ।

(A) খিল্‌খিল্ (B) জিৰ্‌জিৰ্

(C) পেক্ পেক্ (D) টং টং

(iv) পুৰণি দুৱাৰখন __________ কৈ খোল খালে ।

(A) কুলু কুলু (B) কেৰ্ কেৰ্

(C) ঝিৰ্ ঝিৰ্ (D) গপ্ গপ্

**9.** তলত দিয়া নিয়মসমূহৰ অন্তৰ্গত নিৰ্দিষ্ট শব্দকেইটা বাছি উলিয়াই লিখাঁ — *4×1=4*

(i) ট-বৰ্গৰ কোনো বৰ্ণৰ লগত যুক্ত হলে দন্ত্য ন, মূৰ্দ্ধন্য 'ণ' হয়।

(A) আনন্দ (B) বিষণ্ণ

(C) কিন্তু (D) জীৱন্ত

(ii) উত্তৰ, দক্ষিণ, পৰা, নাৰ, ৰাম আদি শব্দৰ পিছত 'অয়ন' শব্দৰ দন্ত্য ন মূৰ্দ্ধন্য 'ণ' হয়।

(A) উত্তৰণ (B) পৰাণ

(C) দক্ষিণয়ন (D) ৰামায়ণ

(iii) সু আৰু বি উপসৰ্গৰ পিছত থকা 'সম' শব্দৰ দন্ত্য স মূৰ্দ্ধন্য 'ষ' হয়।

(A) বিষম (B) বিষাদ

(C) বিষণ্ণ (D) বিষাণ

(iv) কিছুমান শব্দ স্বাভাৱিকতে দন্ত্য স মূৰ্দ্ধন্য 'ষ' হয়।

(A) চাক্ষুষ (B) দোষ

(C) অভিলাষ (D) কষ্ট

**10.** তলৰ শব্দকেইটাত যোগ হোৱা প্ৰত্যয়কেইটা বাছি উলিয়াই লিখাঁ — *4×1=4*

(i) লাগতিয়াল =

(A) -ইয়াল (B) -অতিয়াল

(C) -আল (D) -য়াল

(ii) ভগনীয়া =

(A) -ইয়া (B) -অনিয়া

(C) -ঈয়া (D) -অনীয়া

(iii) কপলীয়া =

(A) -ঈয়া (B) -অলীয়া

(C) -য়া (D) -আ

(iv) জপৰা =

(A) -য়া (B) -অৰা

(C) -আ (D) -ঈয়া

**11.** নির্দেশ অনুসৰি তলৰ বাক্যবোৰৰ উক্তি পৰিবৰ্তন কৰাঁ — *4×1=4*

(i) মই দেউতাক কবিতা পঢ়ি ভালপাওঁ বুলি কৈছোঁ। (প্ৰত্যক্ষ উক্তিলৈ)

(ii) শিক্ষকে কৈছে যে সময়ে গতি কৰিয়েই থাকিব। (প্ৰত্যক্ষ উক্তিলৈ)

(iii) ল'ৰাজনে কৈছিল, "মই ছবি আঁকিছোঁ"। (পৰোক্ষ উক্তিলৈ)

(iv) গুৰুজনে কৈছিল, "ল'ৰাটো সজ বিদ্যাৰ পাত্ৰ হওঁক"। (পৰোক্ষ উক্তিলৈ)

## SECTION D

**(গদ্য ভাগ)** **(20 Marks)**

**12.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ — *4*

(i) 'ডিবুৰুগড়ত গোটাচেৰেক কথাই মোক বৰ সন্তোষ দিছিল।' — ডিবুৰুগড়ৰ কোনবোৰ কথাই বেজবৰুৱাক সন্তোষ দিছিল, বুজাই লিখাঁ।

(ii) 'বৈৰাগ্য' শব্দৰ অৰ্থ কি ? ভাৰতীয় আদৰ্শত কেনেধৰণৰ বৈৰাগ্যৰ কথা কোৱা হৈছে ?

(iii) মহাপুৰুষৰ পদাংক অনুসৰণ কৰি মানুহে কেনেদৰে নিজকে পৰিচালিত কৰিব পাৰে ? — 'আনন্দৰাম বৰুৱা' পাঠটিৰ আধাৰত বুজাই লিখাঁ।

13. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ — *2*

(i) লক্ষ্মীনাথ বেজবৰুৱাৰ গুৱাহাটীক ভাল লগাৰ দুটা কাৰণ উল্লেখ কৰাঁ ।

(ii) কেনে ধৰণে নিজৰ পৰিচয় দি আনন্দৰাম বৰুৱাই সন্তোষ লাভ কৰিছিল ?

(iii) ভাৰতীয় আদৰ্শত বৈৰাগ্য পাঠত 'সংবিভাজ্য' শব্দটোৰে কি সূচাইছে ?

14. তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ — *4×1=4*

(i) লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত একমাত্ৰ উপন্যাসখনৰ নাম লিখাঁ ।

(ii) 'কথাগুৰু চৰিত' পুথিখন কোনে সম্পাদনা কৰিছিল ?

(iii) আনন্দৰাম বৰুৱাই ভাৰতত শিক্ষা শেষ কৰি ক'লৈ গৈছিল ?

(iv) তৈত্তিৰীয় উপনিষদৰ প্ৰথম উপদেশ কি ?

## (পদ্য ভাগ)

15. যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ — *4*

(i) মাধৱদেৱৰ "উঠ ৰে উঠ বাপু গোপাল হে" বৰগীতটোৰ মূলভাৱ লিখা ।

(ii) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ —

আজি জনতাৰ পংকজ ৰূপ
জাগে পদুমৰ দৰে,
বোকাত জনমা মানুহে আজি
আলোকলে' উঠি আহে
বেলিমুৱা হৈ হাঁহে ।

(iii) 'উভতি নহাৰ কবিতা'ত কবিয়ে কিয় পৃথিৱীলৈ নাহে বুলি ভাবিছে বুজাই লিখা ।

**16.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ — *2*

(i) 'ৰামধেনু' আলোচনীখনৰ বিষয়ে চমুকৈ লিখাঁ ।

(ii) কথাছবি নিৰ্মাতা হিচাপে জ্যোতি প্ৰসাদৰ এটি চমু পৰিচয় লিখাঁ ।

(iii) ডঃ বাণীকান্ত কাকতিয়ে বৰগীতসমূহক কিয় Noble Numbers বুলি কৈছে ?

**17.** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ — *4×1=4*

(i) মাধৱদেৱে আনুষ্ঠানিক শিক্ষা ক'ত লাভ কৰিছিল ?

(ii) 'বৎস' মানে কি ?

(iii) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা পুথিখনৰ নাম কি ?

(iv) নৰকান্ত বৰুৱাৰ এখন শিশু উপযোগী গ্ৰন্থৰ নাম লিখাঁ ।